নিয়মীয়া বাৰ্তা মঙলবাৰ, ১৪ মে’ ২০২৪



## দিছপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ’চাইটী

# কলাক্ষেত্ৰত কাৰেঙৰ লিগিৰী মঞ্চস্থ

গুৱাহাটী, ১৩ মে’ ঃ দিশপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ’চাইটীৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সহযোগত শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত পৰহি সন্ধিয়া ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বহু সমাদৃত ‘কাৰেঙৰ লিগিৰী’ নাটখন মঞ্চস্থ কৰা হয়। দিশপুৰ মহাবিদ্যালয়ৰ ১০ পৃষ্ঠাত

অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ নেতৃত্বত বিশিষ্ট নাট পৰিচালক মাণিক আহমেদৰ দ্বাৰা পৰিচালিত আৰু জ্যেষ্ঠ অভিনেতা অমিতাভ ৰাজখোৱা আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অভিনীত এই নাট সন্ধিয়া উদ্বোধন কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পৰাগ শংকৰ হাজৰিকাই আঁতধৰা নাট্যানুষ্ঠানটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ননীগোপাল মহন্ত, সাহিত্য-সংস্কৃতিৰ সাধক পণ্ডিত পোনা মহন্তৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। দিশপুৰ মহাবিদ্যালয়ৰ সংগীত আৰু বন্তি প্ৰজ্জ্বলনেৰে শুভাৰম্ভ কৰা নাট সন্ধিয়াৰ উদ্বোধনী বক্তব্যত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কয় যে ছাত্ৰ-ছাত্ৰীক পুথিগত শিক্ষাৰ মাজতে আবদ্ধ নাৰাখি কলা, সংস্কৃতি, ক্ৰীড়াৰ মাজেৰে সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে অহৰহ চেষ্টা কৰাই দিশপুৰ মহাবিদ্যালয়ৰ উদ্দেশ্য শিক্ষামন্ত্ৰী ডাঃ পেগুৱে মহাবিদ্যালয়ে লোৱা এনে প্ৰদক্ষেপক প্ৰশংসা জনাই কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ভাৰতীয় জ্ঞান পৰম্পৰা সহিতে চৌষষ্ঠী কলাক শিক্ষাৰ অংগ কৰিবলৈ চেষ্টা কৰিছে। শিক্ষা যে চাকৰিকেন্দ্ৰিক নহয়, মগজুৰ দক্ষতা আৰু চৌষষ্ঠী কলাৰ সমাহাৰহে মাথোন তাক বুজোৱাই হৈছে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰধান উদ্দেশ্য। ১৯২৫ চনত ৰচিত ৰূপকোঁৱৰৰ অমৰ সৃষ্টি ‘কাৰেঙৰ লিগিৰী’ৰ ১০০ বছৰীয়া জন্ম জয়ন্তীত মঞ্চস্থ কৰা এই নাট সন্ধিয়াৰ লগত সংগতি ৰাখি কাৰেঙৰ লিগিৰী নামৰ এখনি স্মৰণিকা উন্মোচন কৰা হয়। উন্মোচন কৰে অধ্যাপক ড° ননীগোপাল মহন্তই। দিশপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ’চাইটীৰ আহ্বায়ক ড° সঞ্জীৱ কুমাৰ শৰ্মাৰ ব্যৱস্থাপনাত সফলভাৱে নাটৰ সামৰণি পৰে। বিভিন্ন চৰিত্ৰত অংশ লোৱা ছাত্ৰ-ছাত্ৰীসকলৰ অভিনয়ে দৰ্শকৰ প্ৰশংসা লাভ কৰে আৰু মহাবিদ্যালয়খনৰ এনে অনন্য প্ৰচেষ্টাৰ উপস্থিত ৰাইজে শলাগ লয়।